## ১.৫ ব্যাকৰণ, ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞান

অসমীয়া ভাষাত ভাষা-বিশ্লেষণ বুজাবলৈ 'ব্যাকৰণ', 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান'—এই তিনিওটা শব্দ কিছু শিথিলভাবে ব্যৱহৃত হৈ আহিছে। ইয়াৰে 'ব্যাকৰণ' অভিধাটো কিছু সুকীয়া অৰ্থত প্ৰয়োগ হৈ আহিলেও, 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান' প্ৰায় সমাৰ্থক হিচাপে ব্যৱহাৰ হোৱা দেখা যায়। সেয়ে হ'লেও, তত্ত্ব আৰু ব্যুৎপত্তিৰ দিশত তিনিওটা শব্দৰ মৌলিক প্ৰভেদ আছে। 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান' আপেক্ষিকভাবে নতুন, আনহাতে 'ব্যাকৰণ' আৰু ইয়াৰ ইংৰাজী প্ৰতিশব্দ **Grammar** (গ্ৰীক **Grammatiké**) শব্দ প্ৰাচীন। ভাষা-চৰ্চাৰ সামান্য তত্ত্ব হিচাপে প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো দেশতে লিখিত সাহিত্য সৃষ্টিৰ অব্যৱহিত পৰৱৰ্তী কালতে 'ব্যাকৰণ' বা **Grammar** শাস্ত্ৰবো উদ্ভৱ হৈছিল। প্ৰাচ্যত প্ৰাচীন ভাৰতীয় আৰ্য সমাজে আৰু পাশ্চাত্যত গ্ৰীকসকলে এই বিদ্যাৰ শুভাৰম্ভণ ঘটাইছিল। ভাৰতীয় পৰম্পৰাত ভাষা-বিশ্লেষণ-প্ৰক্ৰিয়া বেদৰ সংহিতা স্তৰতে হৈছিল যদিও, 'ব্যাকৰণ' অভিধাৰ প্ৰথম উল্লেখ পোৱা যায় 'গোপথ ব্ৰাহ্মণ'-ত। সেয়ে হ'লেও, উত্তৰ বৈদিক যুগতহে ই অধ্যয়নৰ এক বিশেষ বিদ্যা হিচাপে গুৰুত্ব লাভ কৰে। ইয়াৰ অৰ্থ হৈছে বিশেষ আৰু বিস্তাৰিতভাবে কৰা বিশ্লেষণ—বি+আ+ √কৃ+অন (অনট্)। অৰ্থাৎ, যি শাস্ত্ৰত ভাষা এটাৰ গঠন-পদ্ধতি তন্ন তন্নকৈ ফঁহিয়াই দেখুওৱা হয়, সেয়ে সেই ভাষাৰ ব্যাকৰণ। আনহাতে ইংৰাজী **Grammar** শব্দটো গ্ৰীক **Grammatiké**-ৰ পৰা লেটিন **Grammaticus** আৰু তাৰ পৰা উদ্ভূত ফৰাচী Gramire-ৰ মাজেৰে আহৰিত হৈছে। খ্ৰীঃপূঃ দ্বিতীয় শতিকাৰ গ্ৰীক বৈয়াকৰণ ডায়'নিছাছ থ্ৰাক্সৰ **Techné Grammatiké**-ৰ মাধ্যমেৰে পাশ্চাত্য ভাষা-চিন্তাই প্ৰথম পদ্ধতিগত ৰূপ পাইছিল।

প্ৰাচীন ভাৰতীয় 'ব্যাকৰণ' আছিল যড় বেদাঙ্গৰ অন্যতম অংগ আৰু ই আছিল শব্দ-বিশ্লেষণ (সাম্প্ৰতিক কালৰ ৰূপতত্ত্ব) বিষয়ক শাস্ত্ৰ। সেই বাবে ই 'শব্দানুশাসন'-ৰূপেও জনাজাত। বেদৰ ভাষাৰ বিশুদ্ধতা ৰক্ষা কৰাটোৱেই আছিল তেতিয়াৰ ব্যাকৰণৰ প্ৰধান উদ্দেশ্য। ভাৰতীয় আৰ্য সমাজে বেদ-সম্পদক অতিশয় পৱিত্ৰৰূপে জ্ঞান কৰা হেতুকে ব্যাকৰণ বিদ্যাই সুদূৰ অতীততে এক বিজ্ঞানসন্মত ৰূপ লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰ বিপৰীতে গ্ৰীক পৰম্পৰাত **Grammatiké** আছিল দৰ্শন বিদ্যাৰ অন্তৰ্ভুক্ত। সেই হেতুকে ই আছিল কিছু পৰিমাণে অসংহত। কিন্তু সেয়ে হ'লেও, প্ৰাচ্য-পাশ্চাত্য দুয়ো পৰম্পৰা আছিল এক ঐক্যসূত্ৰত আবদ্ধ। কাৰণ, ভাৰতীয়সকলে যিদৰে বেদৰ ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ বাবে 'ব্যাকৰণ'-ৰ আৱিষ্কাৰ কৰিছিল, একেদৰে গ্ৰীকসকলেও হোমাৰীয় মহাকাব্যৰ ভাষাৰ সংৰক্ষণৰ বাবে 'সাহিত্যিক ভাষাৰ ৰূপগত বিশ্লেষণ' অৰ্থত অথবা 'পঠন-লিখনৰ দক্ষতা আহৰণ' অৰ্থত **Grammatiké**-ৰ জন্ম দিছিল।

'ভাষাতত্ত্ব' শব্দটো ইংৰাজী **Philoglogy**-ৰ প্ৰতিশব্দ হিচাপে আহৰিত। ইংৰাজী শব্দটো আহিছে গ্ৰীক **Philologia (Philein+logos)**-ৰ পৰা উদ্ভূত লেটিন **Philologia** আৰু তাৰ পৰা ফৰাচী ভাষালৈ অহা **Philologie**-ৰ পৰা।

Scanned with CamScanner

জাৰ্মান ভাষাতো ই Philologie-ৰূপে ব্যৱহৃত হৈছিল। ব্যুৎপত্তিৰ দিশৰ পৰা Philology অভিধাই আহৰণ কৰা কেতবোৰ অৰ্থ এনে ধৰণৰ ঃ

(ক) শিক্ষা আৰু সাহিত্যৰ প্ৰতি ধাউতি, অধ্যয়ন, পাণ্ডিত্য;

(খ) লিখিত নথি তথা সাহিত্যৰ পাঠৰ বিশ্বাসযোগ্যতা আৰু অৰ্থ আদিৰ বাবে কৰা প্ৰণালীবদ্ধ অধ্যয়ন;

(গ) ভাষাবিজ্ঞানৰ পুৰণি নাম ইত্যাদি।

এই অৰ্থবোৰৰ ভিতৰত শেষৰটো ঊনবিংশ শতিকাত বিশ্বজুৰি জনপ্ৰিয়তা অৰ্জন কৰা ঐতিহাসিক আৰু তুলনাত্মক ভাষা-অধ্যয়নৰ সৈতে সম্পৰ্কিত। অৰ্থাৎ, Philology হ'ল—**"The science of language, esp. in the historical and comprative aspects".**

মুঠতে, **Philology** বা 'ভাষাতত্ত্ব' মূলতঃ ভাষাৰ লিখিত নথিৰ সৈতে জড়িত। বৃটিছ ভাষাতত্ত্ববিদসকলে ইয়াক **Comparative Philology**-ৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰি আহিছে, যাৰ প্ৰসঙ্গও লিখিত নথিৰ সৈতে জড়িত। পুৰণি পুথি, শিলালেখ, তাম্ৰলেখ আদিৰ বিবিধ পাঠান্তৰ বিশ্লেষণ কৰি ভাষা একোটাৰ শুদ্ধ আৰু পূৰ্ণাঙ্গ ৰূপ নিৰ্ণয় কৰাই ইয়াৰ মূল লক্ষ্য। একে সময়তে ইয়াত সংশ্লিষ্ট জাতি বা দেশৰ সাংস্কৃতিক ঐতিহ্যৰ দিশটোও সাঙোৰ খাই থাকে। হিন্দী আৰু বাংলা ভাষাত সেই বাবেই ইয়াৰ প্ৰতিশব্দ হিচাপে 'বাঙ্‌মিমাংসা' অভিধাটো গ্ৰহণ কৰা হৈছে। অসমীয়াত কোনো কোনোৱে 'সাংস্কৃতিক ভাষাতত্ত্ব' শব্দগুচ্ছ ব্যৱহাৰ কৰাটোও এই প্ৰসঙ্গত মন কৰিবলগীয়া। মুঠ কথাত, সাহিত্য তথা লিখিত নথিৰ নান্দনিক মূল্যায়ন আৰু সিবোৰৰ পৃষ্ঠভূমিত থকা সাংস্কৃতিক তাৎপৰ্যৰ স্বৰূপ উদ্‌ঘাটনেই **Philology** বা 'ভাষাতত্ত্ব'-ৰ প্ৰধান আলোচ্য বিষয়।

'ভাষাবিজ্ঞান' অভিধাটো অসমীয়াত ইংৰাজী **Linguistics**-ৰ প্ৰতিশব্দ হিচাপে সততে ব্যৱহৃত। লেটিন মূলীয় **Lingua-istique** শব্দৰ সংযোগত গঠিত আৰু ঊনবিংশ শতাব্দীত ফৰাচী ভাষাত ব্যৱহৃত **Linguistique** শব্দৰ ইংৰাজী ৰূপেই **Linguistics**। ইয়াৰ সাম্প্ৰতিক অৰ্থ হৈছে ভাষাৰ বিজ্ঞান। খ্যাতনামা ভাষাবিজ্ঞানী **C.F. Hocket**-ৰ ভাষাত **"...organized body of information about language which their investigations produce is called linguistics"**। ইয়াৰ প্ৰতিপাদ্য বিষয় হৈছে বাগ্‌যন্ত্ৰৰ দ্বাৰা উচ্চাৰিত বাক্যাবদ্ধ, অৰ্থবহ আৰু যথেচ্ছ ধ্বনি-প্ৰতীকবোৰ, যাৰ সহায়ত মানুহে পাৰস্পৰিক ভাব-বিনিময়ৰ দ্বাৰা দৈনন্দিন জীৱনৰ কাম কাজ নিয়াৰিকৈ সম্পাদন কৰে। মানৱ-ভাষাত অন্তৰ্নিহিত হৈ থকা প্ৰণালী তথা বিধিসমূহৰ শৃঙ্খলাবদ্ধ বিচাৰ-বিশ্লেষণ থাকে বাবেই ইয়াক **Linguistics** বা 'ভাষাবিজ্ঞান' বোলা হৈছে। ভাষাৰ এনে বিশ্লেষণ সামান্য অথবা কোনো বিশেষ ভাষা সম্পৰ্কীয় হ'ব পাৰে। এই দুয়ো ক্ষেত্ৰতে ভাষাবিজ্ঞান শব্দটোৱে প্ৰযোজ্য হয়।

এইখিনিতে ব্যাকৰণ বা ইংৰাজী **Grammar** শব্দটোৰ প্ৰয়োগ সম্বন্ধেও কিছু স্পষ্ট হোৱা আৱশ্যক। এই শব্দটো প্ৰাচীন কালৰে পৰা বৰ্তমান পৰ্যন্ত বিস্তৃত



Scanned with CamScanner

অৰ্থত প্ৰয়োগ হৈ আহিছে। প্ৰাচীন ভাৰতীয় ভাষা-চৰ্চাত আধুনিক বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ আটাইবোৰ বৈশিষ্ট্য লক্ষ্য কৰা যায় যদিও, তেতিয়া সেই সম্পৰ্কীয় শাস্ত্ৰক 'ব্যাকৰণ' বোলা হৈছিল। ঊনবিংশ শতাব্দীৰ ভাষাতাত্ত্বিকসকলে **Comparative Philology** বুজাবলৈ **Comparative Grammar** শব্দটো ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। বৰ্ণনাত্মক ভাষাবিজ্ঞানীসকলে আকৌ ধ্বনিতত্ত্ব আৰু অৰ্থতত্ত্বক বাদ দি ৰূপতত্ত্ব আৰু বাক্যতত্ত্ব বুজাবলৈ **Grammar** শব্দটো ব্যৱহাৰ কৰিছে। বৰ্তমান সময়ৰ সৰ্বমান্য ভাষাবিজ্ঞানী নোআম চমস্কিয়ে তেওঁৰ ভাষাবৈজ্ঞানিক তত্ত্ব—**Transformational Generative Grammar**-ত ব্যাকৰণ শব্দটো 'ভাষাবিজ্ঞান' অৰ্থতে ব্যৱহাৰ কৰিছে। চমস্কিৰ পৰৱৰ্তী তত্ত্বসমূহতো 'ব্যাকৰণ' অভিধাৰ তাৎপৰ্যপূৰ্ণ প্ৰয়োগ ঘটিছে, যেনে— **Systemic Grammar, Phrase Structure Grammar, Case Grammar, Dependency Grammar** ইত্যাদি। এই আটাইবোৰ একো একোটা স্বকীয় বৈশিষ্ট্যসম্পন্ন ভাষাবৈজ্ঞানিক তত্ত্ব।

ওপৰৰ আলোচনাৰ পৰা দেখা যায়, ভাষাৰ আলোচনাত 'ব্যাকৰণ', 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান'—এই তিনিওটা অভিধা বহুসময়ত সমাৰ্থক হিচাপে প্ৰয়োগ হৈ আহিছে। সাম্প্ৰতিক কালত **Grammar** বা 'ব্যাকৰণ' শব্দটোৱে আহৰণ কৰা অৰ্থ নিদানমূলক বা নিৰ্দেশমূলক ব্যাকৰণতকৈ ভিন্ন। ই ভাষা-বিশ্লেষণৰ সমগ্ৰ প্ৰক্ৰিয়াটোকে সামৰি 'ভাষাবিজ্ঞান' অৰ্থত ব্যৱহাৰ হ'বলৈ লৈছে। 'ভাষাতত্ত্ব' আৰু 'ভাষাবিজ্ঞান'-ৰ সৈতে ব্যাকৰণৰ পাৰ্থক্য নিৰ্ণয়ৰ ক্ষেত্ৰত ব্যাকৰণ শব্দটোৰ পৰম্পৰাগত অৰ্থহে আগত ৰখা হৈছে। তলত তিনিওটা তত্ত্বৰ মৌলিক পাৰ্থক্যবোৰ ফঁহিয়াই দেখুৱা হ'ল।

Scanned with CamScanner